**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 16-03-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি কোকৰাঝাৰৰ দোতমাত নিখিল বড়ো ছাত্ৰ সন্থাৰ ৫৭ সংখ্যক বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ কৰিব।

২। ইলেকট্ৰ'নিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বনী বৈষ্ণৱে দেশত নিৰ্মিত প্ৰথম চিপ চলিত বছৰতে মুকলি কৰা হ'ব বুলি প্ৰকাশ কৰিছে।

৩। ভাৰতে জাৰ্মানীক চেৰপেলাই ২০২৮ চনৰ ভিতৰত বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থাৰূপে পৰিগণিত হোৱাৰ সম্ভাৱনা আছে।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰৰ মধ্য আৰু দক্ষিণ অংশত হোৱা প্ৰচণ্ড ঘূৰ্ণীবতাহৰ ফলত ১৯ জন লোকৰ মৃত্যু হৈছে।

*আৰু*

৫। ভাৰতীয় মল্লযুঁজ সংঘই ছিনিয়ৰ এছিয়ান চেম্পিয়নশ্বিপৰ বাবে ৩০ গৰাকী মল্ল যুঁজাৰুক বাচনি কৰিছে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি অসমৰ দেৰগাঁৱত নতুন ৰূপত সজাই তোলা অত্যাধুনিক লাচিত বৰফুকন পুলিচ একাডেমী মুকলি কৰে আৰু একাডেমীৰ আৱাসগৃহ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে অসম দ্ৰুত গতিত বিকাশৰ দিশে অগ্ৰসৰ হৈছে আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ৰাজ্যখনলৈ শান্তি ঘূৰি আহিছে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী মোদীৰ প্ৰচেষ্টাৰ বাবে ৰাজ্যখনৰ প্ৰায় আটাইবোৰ উগ্ৰপন্থী গোট শান্তি আলোচনাৰ বাবে আগবাঢ়ি আহিছে আৰু কেইবাটাও গোটে অস্ত্ৰ সম্বৰণো কৰিছে। ৰাজ্যখনত শান্তি বিৰাজ কৰিছে আৰু ইয়াৰ ফলস্বৰূপে ব্যৱসায় খণ্ডৰ উন্নয়ন ঘটিছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে ব্যৱসায়ী খণ্ডৰ উন্নয়নৰ ফলত যুৱ প্ৰজন্মৰ বাবে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি হৈছে। তেওঁ লগতে কয়, যে কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনৰ বিভিন্ন প্ৰকল্পৰ বাবে তিনি লাখ কোটি টকা যোগান ধৰিব আৰু ইয়াৰ ফলত আন্তঃগাঁথনি খণ্ড শক্তিশালী হৈ উঠিব।

অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে এই দিনটো ৰাজ্যখনৰ আৰক্ষীৰ বাবে এটা সোণালী দিন আৰু বীৰ লাচিত বৰফুকনলৈ এয়া প্ৰকৃত শ্ৰদ্ধাঞ্জলি। ৰাজ্য চৰকাৰে ডেৰগাঁও পুলিচ একাডেমী চৌহদত আৰক্ষী চিকিৎসা মহাবিদ্যালয় স্থাপনৰো পৰিকল্পনা কৰিছে বুলি ড০ শৰ্মাই জানিবলৈ দিয়ে। তেওঁ কয়, যে পূৰ্বৰ দশকসমূহৰ তুলনাত ৰাজ্যখনৰ আইন-শৃংখলা পৰিস্থিতি উন্নত হৈছে আৰু অপৰাধৰ হাৰ ৫০ শতাংশৰো অধিক হ্ৰাস পাইছে।

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অনুষ্ঠানত অংশ লৈ কয়, যে এই অত্যাধুনিক আৰক্ষী একাডমীৰ জৰিয়তে দেশৰ শ্ৰেষ্ঠ আৰক্ষী কৰ্মী সাজু হৈ উঠিব আৰু এই আৰক্ষী কৰ্মীসকল নতুন

যুগৰ অপৰাধ নিয়ন্ত্ৰণ কৰিবলৈ সমৰ্থ হ'ব। অনুষ্ঠানত বিদেশ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আৰু আন ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ডেৰগাঁৱৰ অনুষ্ঠানৰ পাছতে গৃহমন্ত্ৰীগৰাকী আইজললৈ যায়। তাত তেওঁ দেশৰ আটাইতকৈ পুৰণি অৰ্ধসামৰিক বাহিনী আছাম ৰাইফলছৰ প্ৰায় ডেৰশ বছৰ পুৰণি ছাউনীটো আইজল নগৰৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ নিলগৰ জোখ'ছাঙলৈ স্থানান্তৰিত কৰা অনুষ্ঠানত ভাগ ল'য়। অনুষ্ঠানত ভাষণ দি শ্ৰী শ্বাহে কয়, যে আছাম ৰাইফলছৰ চাউনী জোখ'ছাঙলৈ স্থানান্তৰিত কৰাটো ৰাজ্যখনৰ উন্নয়নৰ বাবে এটা উল্লেখযোগ্য মাইলৰ খুঁটি ৰূপে পৰিগণিত হ'ব। তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰে বিগত ১০ বছৰত উত্তৰ-পূৰ্বাঞ্চলৰ সুদৃঢ়কৰণ আৰু সংহতিৰ বাবে সক্ৰিয়ভাৱে কাম কৰি আহিছে। মোদী চৰকাৰে অঞ্চলটোত পৰ্যটনৰ পৰা প্ৰযুক্তিলৈ, ক্ৰীড়াৰ পৰা মহাকাশলৈ আৰু কৃষিৰ পৰা উদ্যমশীলতালৈকে সকলো ক্ষেত্ৰতে অভূতপূৰ্ব উন্নয়ন কৰা বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী কালি নিশাটো আইজলৰ ৰাজভৱনত কটায়। শ্ৰী শ্বাহে আজি কোকৰাঝাৰৰ দোতমাত নিখিল বড়ো ছাত্ৰ সন্থাৰ ৫৭ সংখ্যক বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ কৰিব। নতুন দিল্লীলৈ উভতি যোৱাৰ পূৰ্বে তেওঁ গুৱাহাটত উত্তৰ-পূৰ্বাঞ্চলত নতুন ফৌজদাৰী আইন তিনিখনৰ ৰূপায়ণ সন্দৰ্ভত অঞ্চলটোৰ আঠোখন ৰাজ্যৰ মুখমন্ত্ৰীৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩০ মাৰ্চত আকাশবাণীৰ  মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২০ সংখ্যক খণ্ড। প্ৰধানমন্ত্ৰীয়ে মন কী বাতৰ আসন্ন খণ্ডটিৰ বাবে জনসাধাৰণৰ দিহা-পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০ ১১ ৭৮০০ শুল্ক বিহীন নম্বৰত ফোন কৰি এই অনুষ্ঠানৰ বাবে নিজৰ মতামত আৰু পৰামৰ্শ  প্ৰেৰণ কৰিব পাৰিব। তেওঁলোকে নমো এপ নাইবা মাই গ'ভ মুকলি মঞ্চৰ জৰিয়তেও জনসাধাৰণে দিহা-পৰামৰ্শ প্ৰেৰণ কৰিব পাৰে। মন কী বাতৰ এই খণ্ডটিৰ বাবে ২৮ মাৰ্চলৈ প্ৰেৰণ কৰা দিহা-পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ বাতৰি বিভাগৰ ৱেবছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি প্ৰচাৰ হ'বলগীয়া লেক্স ফ্ৰিডমেনৰ সৈতে হোৱা প'ডকাষ্ট সাক্ষাৎকাৰ শুনিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যম যোগে কৈছে যে, ফ্ৰিডমেনৰ সৈতে তেওঁৰ এই সাক্ষাৎকাৰক আনন্দদায়ক বুলি অভিহিত কৰিছে। এই কথোপকথনত শ্ৰী মোদীৰ শৈশৱ, হিমালয়ত পাৰ কৰা সময় আৰু ৰাজহুৱা জীৱনসহ ভালেমান বিষয় সামৰি লোৱা হৈছে। শ্ৰী ফ্ৰিডমেনে কৈছে যে, তেওঁ প্ৰধানমন্ত্ৰী মোদীৰ সৈতে প্ৰায় ৩ ঘণ্টা ধৰি কথা পাতে। সামাজিক মাধ্যমৰ এটা পোষ্টত প'ডকাষ্টাৰগৰাকীয়ে এই কথোপকথনক তেওঁৰ জীৱনৰ সবাটোকৈ প্ৰভাৱশালী আলোচনা বুলি অভিহিত কৰিছে।

ooooo

ইলেকট্ৰ'নিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে দেশত নিৰ্মিত প্ৰথম চিপ চলিত বছৰতে মুকলি কৰা হ'ব বুলি প্ৰকাশ কৰিছে। কালি চেন্নাইত ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠানৰ শিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰি তেওঁ কয়, যে দেশত নিৰ্মিত চাৰি প্ৰকাৰৰ চিপ অহা দুবছৰত মুকলি কৰা হ'ব আৰু ভাৰতে দেশত নিৰ্মিত চিপ টেছলা ফ'ক্সৰাগনৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তলৈ যোগান ধৰিবলৈ সমৰ্থ হ'ব। তেওঁ কয়, যে দেশত বৰ্তমান ৫টা ছেমিকণ্ডাক্টৰ নিৰ্মিয়মান অৱস্থাত আছে। কৃষিত এই আই প্ৰযুক্তি ব্যৱহাৰ সন্দৰ্ভত এগৰাকী ছাত্ৰই সোধা প্ৰশ্নৰ উত্তৰত তেওঁ কয়, যে চৰকাৰে এই খণ্ডৰ বিকাশৰ বাবে ১০ হাজাৰ কোটি টকাৰ আবণ্টন দিছে।

00000

অহা বছৰ গণৰাজ্য দিৱসৰ দিনা ঘোষণা কৰিবলগীয়া ২০২৬ বৰ্ষৰ **পদ্ম সন্মান**সমূহৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। ৩১ জুলাই মনোনয়ন দাখিলৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। পদ্ম সন্মানসমূহৰ বাবে মনোনয়ন আৰু পৰামৰ্শ অকল ৰাষ্ট্ৰীয় পুৰস্কাৰ প'ৰ্টেলৰ মাধ্যমেৰে অনলাইন যোগেহে দাখিল কৰিব পৰা যাব। পদ্ম বিভূষণ, পদ্মভূষণ আৰু পদ্মশ্ৰী দেশৰ সৰ্বোচ্চ দেশৰ অসামৰিক সন্মানসমূহৰ ভিতৰত অন্যতম। ইয়াৰ জৰিয়তে কলা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া, চিকিৎসা, সমাজসেৱা, বিজ্ঞান আৰু অভিযান্ত্ৰিক বিদ্যা, আসামৰিক সেৱা, ৰাজহুৱা সেৱা আৰু বাণিজ্য তথা উদ্যোগৰ দৰে ক্ষেত্ৰসমূহত লাভ কৰা অভূতপূৰ্ব আৰু বিশেষ সাফল্যৰ বাবে এই সন্মান প্ৰদান কৰা হয়। চিকিৎসক আৰু বিজ্ঞানীৰ বাহিৰে চৰকাৰী সেৱক আৰু ৰাজহুৱা খণ্ডৰ কোম্পানীৰ কৰ্মচাৰীসকল এই সন্মানৰ বাবে যোগ্য বুলি বিবেচনা কৰা নহয়।

00000

ভাৰতে জাৰ্মানীক চেৰপেলাই ২০২৮ চনৰ ভিতৰত বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থাৰূপে পৰিগণিত হ'ব বুলি **ম'ৰ্গন ষ্টেনলী** নামৰ গোলকীয় বিত্তীয় সেৱা কোম্পানীৰ শেহতীয়া প্ৰতিবেদন প্ৰকাশ পাইছে। প্ৰতিবেদনত এই বুলি কোৱা হৈছে যে, ২০২৩ চনত ভাৰতীয় অৰ্থ ব্যৱস্থাৰ পৰিসৰ ৩ লাখ ৫০ হাজাৰ কোটি ডলাৰ আছিল আৰু ২০২৬ চনত এই পৰিসৰ ৪ লাখ ৭০ হাজাৰ কোটি ডলাৰলৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। ম'ৰ্গন ষ্টেনলীয়ে প্ৰকাশ কৰা মতে ২০২৮ চনত ভাৰতীয় অৰ্থব্যৱস্থা ৫ লাখ ৭০ হাজাৰ ডলাৰলৈ বৃদ্ধি পাব আৰু দেশখনে জাৰ্মানীক চেৰ পেলাব। ভাৰত বিশ্বৰ সবাটোকৈ চাহিদাযুক্ত উপভোক্তা বজাৰ ৰূপে পৰিহণিত হৈছে আৰু গোলকীয় অৰ্থনৈতিক বাচনি তালিকাত দেশখনৰ স্থান উন্নত হৈছে।

00000

আমেৰিকা যুক্তৰাষ্ট্ৰৰ মধ্য আৰু দক্ষিণ অংশত হোৱা প্ৰচণ্ড ঘূৰ্ণীবতাহৰ ফলত ১৯ জন লোকৰ মৃত্যু হৈছে। এই ঘূৰ্ণীবতাহত বহু ঘৰ আৰু বাহন ক্ষতিগ্ৰস্ত হৈছে। মিছৌৰিত সৰ্বাধিক ১১ জন লোকৰ মৃত্যু হৈছে। এই ঘূৰ্ণীবতাহৰ ফলত টেক্সাছ, ওকালাহামা, আৰ্কাছাছ, মিছৌৰি, ইলিন'য় আৰু ইণ্ডিয়ানাত দুই লাখ ৬০ হাজাৰৰো অধিক বাসগৃহ আৰু ব্যৱসায় প্ৰতিষ্ঠানৰ বিদ্যুৎ সৰবৰাহ ব্যাহত হৈছে।

00000

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই আজি নতুন দিল্লীৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত ফীট ইণ্ডিয়া মহোৎসৱ উদ্বোধন কৰিব। সুস্থ আৰু সক্ৰীয় জীৱনশৈলী তথা মেদবহুলতা মুক্ত ৰাষ্ট্ৰৰ প্ৰসাৰ

এই তিনি দিনীয়া মহোৎসৱৰ মূল উদ্দেশ্য। এই মহোৎসৱৰ সময়ছোৱাত স্কিপিং, পাঞ্জা, ক্ৰিকেট বলিং, স্থিৰ চাইকেল চালনাৰ লেখীয়া ভালেমান খেলৰ আয়োজন কৰা হ'ব।

০০০০০

ভাৰতীয় মল্লযুঁজ সংঘই অহা ২৫ৰ পৰা ৩০ মাৰ্চলৈ জৰ্ডানৰ আম্মানত হ'বলগীয়া ছিনিয়ৰ এছিয়ান চেম্পিয়নশ্বিপৰ বাবে বিশ্ব চেম্পিয়নশ্বিপত পদক বিজেতা দীপক পুনিয়া আৰু অন্তিম পংঘালকে ধৰি ৩০ গৰাকী মল্ল যুঁজাৰুক বাচনি কৰিছে। ভাৰতীয় মল্লযুঁজ সংঘই বাচনিৰ বাবে আয়োজন কৰা অনুশীলনৰ পৰা পুৰুষৰ ফ্ৰী ষ্টাইল আৰু গ্ৰীক-ৰোমান শৈলীৰ লগতে মহিলাৰ শাখাসমূহত যোগদানৰ বাবে ১০ গৰাকীকৈ মল্লযুঁজাৰু নিৰ্বাচন কৰা হৈছে। ভাৰতীয় মল্লযুঁজাৰু সংঘই প্ৰকাশ কৰা মতে এই বাচনি প্ৰক্ৰিয়াটো অধিক প্ৰতিযোগিতামূলক আৰু স্বচ্ছ কৰাৰ বাবে সমগ্ৰ দেশৰে শীৰ্ষ মল্লযুঁজাৰুসকলক ইয়াত অংশগ্ৰহণৰ বাবে আমন্ত্ৰণ জনোৱা হৈছে।

০০০০০

মুম্বাই ইণ্ডিয়ানছে যোৱা নিশা মুম্বাইত অনুষ্ঠিত ফাইনেলত ডেলহী কেপিটেলছক ৮ ৰানত পৰাস্ত কৰি দ্বিতীয়বাৰৰ বাবে মহিলাৰ প্ৰীমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ খিতাপ দখল কৰে। খেলখনত মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেট ধৰি হৰমনপ্ৰীত কৌৰৰ ৬৬ ৰানৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৪৯ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ডেলহী কেপিটেলছে ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৪১ ৰানহে কৰিবলৈ সমৰ্থ হয়। হৰমনপ্ৰীত কৌৰক প্লেয়াৰ অব দ্যা মেচ আৰু নেট ছিৱৰ ব্ৰণ্টক প্ৰতিযোগিতাৰ মোষ্ট ভেলুৱেবল প্লেয়াৰ হিচাপে ঘোষণা কৰা হয়।

০০০০০

সমাপ্ত